স্বৰ্ণ শিহৰণ

ৰঞ্জু হাজৰিকা



এক

গাওঁখনত ভৰি দিয়েই অজয় দত্তৰ মনটো আনন্দত পুলকিত হৈ পৰিল। কিমান দিনৰ মূৰত যে অজয় দত্ত গাওঁখনলৈ আহিছে! চাকৰিৰ খাটিৰতে অজয় দত্ত দীৰ্ঘকাল গাঁৱৰপৰা অনেক দূৰত আছিল। মাজে মধ্যে বিহুৰে সংক্ৰান্তিয়ে আহিছিল গাওঁখনলৈ; কিন্তু শেষৰ চাৰিটা বছৰ একেবাৰেই আহিব পৰা নাছিল। এক বিখ্যাত কোম্পানিৰ একাৰ্ম্বাকী উচ্চপদস্থ বিষয়া আছিল অজয় দত্ত।

কিন্তু এতিয়া আৰু চিন্তা নাই। চাকৰিৰ পৰা অৱসৰ লৈ চিৰকালৰ বাবে অজয় দত্ত গুচি আহিছে গাওঁখনলৈ। কাঞ্চনজুৰি গাঁৱলৈ। এয়াযে অজয় দত্তৰ অতি চিনাকি ঠাই, অতি মৰমৰ ঠাই। কাঞ্চনজুৰি গাঁৱৰ মাটিৰ গোন্ধে অজয় দত্তক উন্মনা কৰে। কি যে শীতল, কি যে সুস্বাদু কাঞ্চনজুৰি গাঁৱৰ পানী। এই গাঁৱতে এদিন অজয় দত্তৰ জন্ম হৈছিল। এই গাঁৱতে এদিন শৈশৱকাল অতিবাহিত কৰিছিল অজয় দত্তই। চহৰৰ পৰা বহু-বহু দূৰৰত ভিতৰুৱা গাওঁ—কাঞ্চনজুৰি গাওঁ। ভিতৰুৱা গাওঁ হ'লে কি হ'ব, এয়াইতো অজয় দত্তৰ জন্মভূমি। ইয়াতে আছে অজয় দত্তৰ প্ৰকৃত শান্তিৰ নীড়।

ভিতৰুৱা গাওঁখনতে আছে অজয় দত্তৰ বিশাল ঘৰ। তিনি মহলীয়া পৈত্ৰিক বাসগৃহ। এনে এটি অট্টালিকা সদৃশ বিশাল আবাসগৃহ ভিতৰুৱা গাওঁখনত তৈয়াৰ কৰাৰ কোনো প্ৰয়োজন নাছিল অজয় দত্তৰ পিতৃৰ। কিন্তু নিজৰ পাঁচ পুত্ৰৰ কথা চিন্তা কৰিয়েই অজয় দত্তৰ পিতৃয়ে তেনে এটি বিশাল ঘৰ তৈয়াৰ কৰিছিল গাওঁ অঞ্চলত।

অজয় দত্ত আহি ঘৰত প্ৰবেশ কৰাৰ লগে লগে গোটেই ঘৰখনেই

উছৰমুখৰ হৈ পৰিল। কিমান দিনৰ মূৰত ককায়েকক ভায়েকহঁতে তেওঁলোকৰ মাজত পাইছে!

সেই বিশাল ঘৰতে অজয় দত্তৰ একক সংসাৰ পুনৰ নতুনকৈ আৰম্ভ হ'ল—ঘৰটোৰ তৃতীয় মহলাত। একক সংসাৰ মানে অজয় দত্ত চিৰকুমাৰ—বিয়া-বাৰু কৰোৱা নাছিল। ঘৰুৱা কাম কাজ তথা ৰন্ধা বঢ়া আদি কৰিবৰ কাৰণে অজয় দত্তই দুটা লগুৱা লগত ৰাখিলে; এজন আদহীয়া আৰু আনজন চেমনীয়া।

ভাই-ককাইৰ ভিতৰত অজয় দত্তই ডাঙৰ। তেওঁৰ অনুজ চাৰিজন—যথাক্ৰমে বিজয়, সঞ্জয়, অজিত আৰু বিজিত। তিনি-মহলীয়া ঘৰটোৰ তলৰ দুটা মহলাত অজয় দত্তৰ বাকী চাৰিজন ভাই থাকে।

দিনবোৰ অতিবাহিত হ'বলৈ ধৰিলে বৰ সুন্দৰভাৱে। কোনো বাধা নাই, কোনো বিপত্তি নাই। কেৱল আছে সুখ আৰু আনন্দ। দুটা বছৰ এনেদৰেই অতিবাহিত হ'ল। অজয় দত্তই নানা ধৰণৰ কিতাপপত্ৰৰ মাজতে নিজকে আত্মনিয়োগ কৰি ৰাখিলে। তাৰ মাজতে আজৰি সময় অলপ উলিয়াই অজয় দত্তই তেওঁৰ বাল্যকালৰ বন্ধু শান্তনু ককতিৰ লগত দবা খেলে। আবেলি প্ৰায়ে শান্তনু কাকতি অজয় দত্তৰ ওচৰলৈ আহে। দুয়ো ঘণ্টাৰ পিছত ঘণ্টা দবা খেলে।

দিনটো আছিল দেওবাৰ। হাট-বজাৰৰ দিন। কাঞ্চনজুৰি গাঁৱৰ পৰা চাৰি কিলোমিটাৰ নিলগত এখন সাপ্তাহিক হাট বহে। গাঁৱৰ মানুহে সপ্তাহৰ বজাৰখিনি তাৰ পৰাই কৰে। এই দুটা বছৰত প্ৰতি দেওবাৰে হাটলৈ যোৱা অজয় দত্তৰ এক অভ্যাসত পৰিণত হৈছিল।

সেইদিনাও অজয় দত্ত হাটলৈ গৈছিল। হাট পুৱা ন মান বজাৰ পৰা বহে। যাৱতীয় বয়-বস্তুখিনি কিনি দিনৰ এক মান বজাত হাটৰ পৰা উভতি আহি গা-পা ধুই দিনৰ আহাৰখিনি খাই ল'লে। এনেতে দ্বিতীয় ভায়েক বিজয় আহি ককায়েকৰ

কোঠাত উপস্থিত হ'ল। অজয় দত্তই সেই সময়ত আলমাৰীৰ পৰা নিজৰ ৩৮ কেলিবাৰৰ পিষ্টলটো উলিয়াই কিবা এটা পৰীক্ষা কৰি আছিল।

ঃ দাদা!—বিজয়ে কোঠাৰ দুৱাৰ মুখৰ পৰা মাত লগালে।

অজয় দত্তই মূৰ তুলি চাই বিজয়ক দেখা পাই হাঁহি এটা মাত লগালে, ঃ অ' বিজয়, আহ। মই এইমাত্ৰ ভাত খাই উঠিছোহে।

বিজয় আগুৱাই আহি অজয় দত্তৰ কাষতে বিছনাখনত বহিল। অজয় দত্ত উঠি গৈ পিস্টলটো আলমাৰীত ভৰাই থৈ পুনৰ আগৰ ঠাইত আহি বহি সুধিলে, ঃ ভাত খালি?

ঃ ও, এইমাত্ৰ খাই উঠিছো।—বিজয়ে মূৰ দুপিয়াই ক'লে।

ঃ কিবা কথা আছিল?—অজয় দত্তই আগ্ৰহেৰে সুধিলে। কাৰণ অজয় দত্তই ভালদৰে জানে যে বিজয়েই হওক বা আন কেইজন ভায়েক হওক অকাৰণত কেতিয়াও তেওঁৰ কোঠালৈ নাহে।

ঃ এৰা। অলপ দৰকাৰী কথাই আছিল। তোমাৰ এতিয়া সময় হ'বনে···?—বিজয়ে ককায়েকলৈ চাই সুধিলে।

ঃ ক' আকৌ, দৰকাৰী কথা এটা কবলৈ এনেদৰে উচপিচাই থাকিব লাগেনে? ক'!

ঃ মানে মই আমাৰ এই ঘৰ আৰু মাটিখিনিৰ কথা কব খুজিছো।

ঃ ঘৰ? মাটি? কি হ'ল ঘৰ আৰু মাটিৰ?—অজয় দত্ত যেন আচৰিত হ'ল।

ঃ নাই, একো হোৱা নাই। মানে আমি চাৰি ভায়ে মিলি এটা সিদ্ধান্তত উপনীত হৈছো যে গাঁৱৰ আমাৰ এই সম্পত্তিখিনি বিক্ৰী কৰি চহৰত নতুনকৈ ঘৰ দুৱাৰ সাজি··· ।

ঃ কি? তই কি কলি বিজয়? এই পৈত্ৰিক ভেটি তহঁতে বেচিব বিচাৰিছ? এই কথা তই কেনেকৈ কব পাৰিলি?—অজয় দত্তই এক আচৰিত দৃষ্টিৰে বিজয়ৰ মুখলৈ চাই ৰ'ল।

আটাইকেইজন ভাই-ককাইৰ ভিতৰত বিজয়ে কথা কয় কম। স্বভাৱটোও আন কেইজনতকৈ শান্ত।

নহয়, মানে আমাৰ প্ৰত্যেকৰে ইয়াত থাকিলে কিবা নহয় কিবা অসুবিধা হয়। অজিত ডাক্তৰ মানুহ। সি নতুনকৈ চহৰত এখন ক্লিনিক খুলিছে। চহৰৰ পৰা ইয়ালৈ নিতৌ অহা যোৱা কৰাটো⋯।

ঃ তেন্তে সি চহৰতে থাকি নলয় কিয় ?

ঃ সেয়া এটা উপৰুৱা খৰচ হ'ব। হয় সি তাত ঘৰ ভাড়া কৰি থাকিব লাগিব, নহ'লে মাটি কিনি ঘৰ সাজি থাকিব লাগিব।

ঃ অ' তাৰ মানে সেই উপৰুৱা খৰচবোৰ পুৰাবলৈকে এই ঘৰ আৰু মাটি বিক্ৰী কৰিব বিচাৰিছে ?

ঃ অকল অজিতৰে নহয়, ইয়াত থাকিলে মোৰো অসুবিধা হয়, দাদা! সঞ্জয় আৰু বিজিতৰো একেই কথা।

এইবাৰ অজয় দত্ত কিছু সময় মৌন হৈ ৰ'ল। বিজয়ে দুবাৰমান ককায়েকলৈ চাই তলমুৰ কৰি ৰ'ল।

ঃ এনে এটা সিদ্ধান্তলৈ তহঁত কেতিয়াবা মোৰ ওচৰলৈ আহিবি বুলি মই সপোনতো ভাবিব পৰা নাছিলো বিজয়! অন্ততঃ মোৰ জীৱিতকালত এই কাম অসম্ভৱ। মই কেতিয়াও এই ঘৰ আৰু মাটি বেচিবলৈ নিদিওঁ। তহঁতৰ চহৰত থাকিবলৈ মন গৈছে থাক; তহঁতৰ তো টকাৰ অভাৱ নাই। তহঁত প্ৰত্যেকেই এতিয়া well establish, ইচ্ছা কৰিলেই প্ৰত্যেকেই চহৰত মাটিলৈ সুন্দৰ ঘৰ সাজি থাকিব পাৰ। এই ঘৰ মাটি বেচি ইয়াৰ টকাৰে চহৰত ঘৰ সাজিলেহে হয়নে ? এটা কথা ভাবচোন বিজয়, এয়া আমাৰ জন্মক্ষেত্ৰ, ইয়াত আমাৰ কিমান যে স্মৃতি বিজড়িত হৈ আছে! তদুপৰি দেউতাই কিমান কষ্টেৰে এই সম্পত্তি ঘটি থৈ গৈছে! গাওঁ অঞ্চলত এনে বিশাল অট্টালিকা এটা দেউতাইনো কিয় সাজি থৈ গ'ল! আমাৰ পাঁচোজনৰ কথা চিন্তা কৰিয়েই দেউতাই এই ঘৰ সাজিছিল।

ঃ এতিয়া সেই পুৰণি কথাবোৰকে ধৰি থাকি কিবা জানো লাভ আছে দাদা! আমাৰ সতি-সন্তানৰ কথাও চিন্তা কৰিব লাগিব।

কিন্তু অজয় দত্তই নামানিলে। এটা কথাতে থামুচি ধৰি বহি থাকিল।

ইয়াৰ পিছত এজন এজনকৈ আটাইকেইজন ভায়েক আহিল অজয় দত্তৰ ওচৰলৈ। আটায়ে ককায়েকক গাওঁঅঞ্চলত থাকিলে কি কি অসুবিধা হয় সেইবোৰ কথা বুজাবলৈ চেষ্টা কৰিলে। তাতে কাঞ্চনজুৰি গাওঁখন ভিতৰুৱা গাওঁ। যাতায়তৰ অসুবিধা। ল'ৰা-ছোৱালীক পঢ়ুৱাবলৈ কোনো সুবিধা নাই। আমোদ-প্ৰমোদৰ কোনো ব্যৱস্থা নাই, ইত্যাদি। কিন্তু ককায়েক অজয় দত্তই যুক্তিৰে ভায়েকহঁতৰ কথাবোৰ খণ্ডন কৰি গ'ল। বহু সময় ধৰি ককায়েকৰ লগত তৰ্ক বিতৰ্ক চলিল। কেতিয়াও ককায়েকৰ ওচৰত উচ্চ বাচ্য নকৰা অজিত, বিজিত আৰু সঞ্জয়ে ক্ৰুদ্ধ স্বৰেৰে নানা কথা ক'লে। অৱশেষত বিজয়ে যেনিবা আটাইকে বুজাই-বঢ়াই ককায়েকৰ কোঠাৰ পৰা আঁতৰাই লৈ আহিল।

ভায়েকহঁতৰ এনে আচৰণে অজয় দত্তক ভীষণ মৰ্মাহত কৰিলে। তেওঁ সপোনতো ভবা নাছিল যে তেওঁৰ জীৱনলৈ এনে এটা দিন আহিব। এই পৈত্ৰিক ভেটি-মাটি এদিন এক সমস্যা হৈ থিয় হ'ব বুলি তেওঁ কেতিয়াও কল্পনা কৰা নাছিল। দুখত মন ভাগি পৰিল তেওঁ।

তেতিয়াও তলৰ মহলাৰ পৰা ভায়েকহঁতে উচ্চঃস্বৰে কোৱা কিবাকিবি কথা ভাঁহি আহিছিল। অজয় দত্তই জোৰেৰে কোঠাৰ দুৱাৰখন বন্ধ কৰি দিলে।

দুই

সন্ধ্যাৰ আগে আগে অজয় দত্ত নিজৰ কোঠাৰ পৰা ওলাই ধীৰে ধীৰে ছিৰি বগাই তললৈ নামি আহিল। ভায়েকহঁতে অজয় দত্তক দেখাৰ লগে লগে নিজৰ কোঠাত সোমাল। অজয় দত্তই কাৰো ফালে ভ্ৰূক্ষেপ নকৰি সন্মুখৰ গেটখনৰ ওচৰত আহি ৰ'ল। কিছু আঁতৰত থকা বহু পুৰণি গুলঞ্চফুলৰ গছ-জোপালৈ চালে। কিমান যে পুৰণি এই জোপা গছ। শৈশৱত এই জোপা গছত উঠি খেলোতে ডাল ভাগি এদিন অজয় দত্ত পৰিছিল। অৱশ্যে দুখ পোৱা নাছিল। গছজোপাৰ ডালটো ভগাৰ কাৰণে দেউতাকে তেওঁক ধমক দিছিল। দেউতাকে কৈছিল গুলঞ্চফুলৰ গছত হেনো উঠিব নাপায়।

গেটৰ বাহিৰত বাটৰ দুফালে দুজোপা বকুল গছ। এই দুজোপা বকুল অজয় দত্তই নিজ হাতে ৰোৱা। গেটখন খুলি অজয় দত্ত ধীৰে ধীৰে বাহিৰলৈ ওলাই গ'ল আৰু সোঁফালৰ বকুল জোপাৰ তলত বৈ ঘৰটোৰ ফালে চালে। এটা দীঘল হুমুনিয়াহ ওলাই আহিল অজয় দত্তৰ অন্তৰৰ গভীৰৰ পৰা।

এনেতে দূৰত স্কুটাৰৰ ইঞ্জিনৰ শব্দ শুনি অজয় দত্তই দক্ষিণৰ পথটোৰ ফালে চালে। স্কুটাৰ এখন আহি আছে। বোধহয় শান্তনু কাকতি। অজয় দত্তৰ বন্ধু। এই সময়ত শান্তনু কাকতি প্ৰায়ে আহে অজয় দত্তৰ ওচৰলৈ। আবেলি বা সন্ধ্যা সময়খিনি দুয়ো দবা খেলি পাৰ কৰি দিয়ে। কেতিয়াবা নিশা ন দহ পৰ্যন্ত বাজে।

শান্তনু কাকতিৰ ঘৰ মধুপুৰ গাঁৱত। কাঞ্চনজুৰি গাঁৱৰ পৰা প্ৰায় দুই কিলোমিটাৰৰ পথ।

ইতিমধ্যে শান্তনু কাকতিৰ স্কুটাৰ আহি অজয় দত্তৰ ওচৰত ৰ'লহি। অজয় দত্তই শান্তনুলৈ চাই এটা শেঁতা হাঁহি মাৰিলে।

ঃ কি হল? মোলৈকে বাট চাই আছনেকি?—শান্তনু কাকতিয়ে সুধিলে।

অজয় দত্তই মূৰ দুপিয়াই ক'লেঃ এৰা তোলৈকে বাট চাই আছো। কোঠাটোত সোমাই সোমাই আমনি লাগি গৈছিল।

ঃ কিয়, আজি পঢ়িবলৈ কোনো কিতাপ নাই?

ঃ আছে। কিন্তু কিমান পঢ়িবি সেইবোৰ। ব'ল। অজয় দত্ত আগবাঢ়িল।

স্কুটাৰ ঠেলি ঠেলি পিছে পিছে শান্তনু কাকতিও গ'ল।

শান্তনু কাকতি ঘৰৰ ওচৰৰে উচ্চ মাধ্যমিক বিদ্যালয় এখনৰ প্ৰধান শিক্ষক আছিল। অৱসৰ পোৱা এবছৰ মান হৈছে।

অজয় দত্তৰ কোঠাত সোমাই শান্তনু কাকতিয়ে নিজেই দবা আৰু গুটিবোৰ উলিয়াই আনি দবা খেলা টেবুলখনত সজালে। গুটিবোৰ সজোৱাৰ অন্তত শান্তনু কাকতিয়ে অজয় দত্তলৈ চাই মাত লগালে, ঃ আহ।

অজয় দত্ত আহি শান্তনু কাকতিৰ সমুখৰ চকীখনত বহিল আৰু খেলিবলৈ আৰম্ভ কৰিলে। শান্তনু কাকতিয়ে লক্ষ্য কৰিলে অজয় দত্তই আগৰদৰে আজি যেন খেলত মন বহুৱাব পৰা নাই। বাৰে বাৰে অন্যমনস্ক হৈ পৰে।

প্ৰথমখন খেলত অজয় দত্ত হাৰিল। শান্তনু কাকতিয়ে উৎসাহেৰে দ্বিতীয় বাৰ খেলিবলৈ গুটিবোৰ বৰ্ড'ত সজালে। দীঘলীয়া হামি এটা মাৰি অজয় দত্তই ইফালে সিফালে চালে। দুবাৰ মান এঙামুৰিও দিলে।

ঃ কি হ'ল? তোৰ গা ভাল নহয় নেকি?—শান্তনুৱে সুধিলে।

ঃ গা ভালেই; মানসিক হে বেয়া।—লাহেকৈ ক'লে অজয় দত্তই।

ঃ মানসিক? কি হ'ল মানসিক? তোৰ আকৌ মানসিক বেয়া হ'বৰ কি হে পালে?—শান্তনুৱে কৌতুহলেৰে সুধিলে।

ঃ কফি খাবি নেকি?—অজয় দত্তই সুধিলে।

শান্তনুৱে মূৰ দুপিয়ালে।

ঃ আৰু নেখেলো, থাকক দে। মোৰ ভাল লগা নাই।

অজয় দত্ত বহাৰ পৰা উঠিল।

ঃ মই প্ৰথমৰ পৰাই মন কৰিছো, তোৰ আজি খেলত একেবাৰে মন বহা নাই। মনটোও যেন বিষণ্ণ।—শান্তনুৱে ক'লে।

অজয় দত্ত ভিতৰ কোঠাৰ ফালে আগ বাঢ়িল। শান্তনুৱে অজয় দত্ত যোৱাৰ ফালে আচৰিত হৈ চালে। তাৰপিছত লৰালৰিকৈ দবাৰ গুটিবোৰ বাকচ এটাত ভৰাই বৰ্ডখনৰ সৈতে শান্তনুৱে আগৰ ঠাইত থৈ আহিল।

অজয় দত্তৰ মানসিক দুখৰ কি কাৰণ থাকিব পাৰে শান্তনুৱে মনে মনে চিন্তা কৰিলে। একোৰে অভাৱ নাই এই দত্ত পৰিয়ালৰ। কাঞ্চনজুৰি, মধুপুৰ আৰু ওচৰে পাজৰে থকা আটাইবোৰ গাঁৱতে দত্ত পৰিয়াল বিখ্যাত। ভাই-ককাই কেইজনৰ মাজতো অপৰিসীম মিলা-প্ৰীতি আছে। সেইফালৰ পৰা নিশ্চয় কোনো মানসিক দুখৰ জন্ম হব নালাগে অজয় দত্তৰ। নে জীৱনৰ শেষ সময়ত নিজৰ একক সংসাৰৰ কথা ভাবি মানসিক উদ্বেগ উৎকণ্ঠাত ব্যাকুল হৈছে ?

অলপ সময়ৰ পিছতে অজয় দত্ত পুনৰ কোঠাটোলৈ সোমাই আহিল। পিছে পিছে দুহাতত দুকাপ কফিলৈ চেমনীয়া লগুৱাটোও আহিল। সি দবা খেলা টেবুলখনতে কফি দুকাপ থৈ আঁতৰি গ'ল।

ঃ খা, শান্তনু ! —অজয় দত্ত শান্তনুৰ সমুখত বহিল।

শান্তনুৱে কফি একাপ হাতত তুলি ল'লে আৰু প্ৰশ্নবোধক দৃষ্টিৰে অজয় দত্তৰ মুখলৈ চাই ৰ'ল।

কিছু সময় নীৰৱতাৰ মাজেৰে পাৰ হ'ল।

ঃ ক চোন ! তোৰ মানসিক দুখৰ কথাবোৰ মোৰ আগত খুলি কোৱাত কিবা আপত্তি আছে নেকি ?—শান্তনুৱে সুধিলে।

ঃ যোৱা এসপ্তাহ ধৰি মই বৰ অশান্তিত ভুগি আছো জান' শান্তনু ! —অজয় দত্তই কবলৈ আৰম্ভ কৰিলে।

ঃ তাকেতো মই ভাবিছো। হঠাৎ নো তোৰ কি অশান্তি আহিল? যাৰ জীৱনত কোনো বাধা নাই, চিন্তা নাই, বিপৰ্য্য় নাই, ভাৱনা নাই. তেওঁৰ আকৌ হঠাৎ কি অশান্তি আহিব পাৰে? —শান্তনুৱে প্ৰশ্ন কৰিলে।

ঃ অশান্তিবোৰ এনেদৰেই আহে। হঠাৎ আহে, নভবা নিচিন্তাকৈ আহে।

ঃ মেৰপেঁচ লগাই কথা কব নালাগে, খোলা খুলিকৈ ক'।

অজয় দত্তই কফিৰ কাপত এঢোক মাৰি ক'লে,

ঃ মোৰ এই অশান্তি আহিছে মোৰ ভাইহঁতৰ পৰা।

ঃ ভাইহঁতৰ পৰা?—শান্তনু কাকতি উচপ খাই উঠিল,

ঃ কি কৰিছে তেওঁলোকে?

ঃ মোৰ সৈতে সিহঁতৰ মতভেদ ঘটিছে; বিবাদ।

ঃ বিবাদ?—শান্তনুৰ চকুত অবাক বিস্ময়।

ঃ ও বিবাদ; বিবাদৰ কাৰণ এই পৈত্ৰিক বাসগৃহটো।

ঃ এই বাসগৃহলৈতো বিবাদ হোৱা উচিত নহয়! আপুনি আছে বেলেগে, তেওঁলোক আছে বেলেগে; বিবাদ কৰিব লগা কি আছে! নে তেওঁলোকে আপুনি থকা এই তৃতীয় মহলটো বিচাৰিছে?

ঃ সেয়াতো একো সমস্যা নহয়। সেয়া বিচৰা হ'লেও ভাল আছিল।

ঃ তেন্তে?

ঃ সিহঁতে এই গাঁৱৰ পৈত্ৰিক মাটি বাৰী আৰু এই ঘৰ বিক্ৰী কৰি দিব বিচাৰিছে।

ঃ কি?—শান্তনু কাকতি চমকি উঠিল।

ঃ মই ঠিকেই কৈছো শান্তনু! সিহঁতে এই ঘৰ মাটি বিক্ৰী কৰি দিব বিচাৰিছে।

ঃ কাৰণ?

ঃ সেই টকাৰে চহৰত সিহঁতে নিজে কিনা মাটিত নিজৰ

পচন্দমতে আধুনিক ডিজাইনৰ ঘৰ তৈয়াৰ কৰিব বিচাৰিছে। এইবোৰ পুৰণি ঠাই পুৰণি ঘৰ—এইবোৰ আৰু সিহঁতৰ ভাল নলগা হৈছে। ইয়াতে হেনো অনেক অসুবিধা। যাতায়তৰ অসুবিধা, ল'ৰা-ছোৱালী পঢ়ুৱাৰ অসুবিধা, বোকা পানীৰে ভৰা গাঁৱত এশ এবুৰি সমস্যা। অথচ এই সমস্যাৰ মাজত থাকিয়েই সিহঁত একোজন ডাঙৰ মানুহ হ'ল! সিহঁতে যিয়েই নকওক, এইবোৰ বিক্ৰী কৰাৰ কথা মই সপোনতো কল্পনা কৰিব নোৱাৰো।

ঃ নতুন আৰু পুৰণিৰ এই বিবাদ চিৰকালীন!—হাঁহি এটা মাৰি শান্তনুৱে ক'লে, ঃ যিসকল বয়স্ক তেওঁলোকৰ ওচৰত অতীত সৰ্বদা সুবৰ্ণময়। সেইবাবে তেওঁলোকে সৰ্বদা পুৰণি বস্তুকে খামুচি ধৰি ৰাখিব বিচাৰে। আৰু নতুন পুৰুষসকল সদায়েই ৰঙীন ভবিষ্যতৰ চিন্তাত মচগুল। অতীত তেওঁলোকৰ বাবে কেৱল আবৰ্জনাহে।

ঃ কথাটো একেবাৰে পাতলকৈ নলবিচোন। হোৱাই-নোহোৱাই সকলো সময়তে কেৱল ঘৰ বেচাৰ কথা, মাটি বেচাৰ কথা। এই লৈ দিনত এবাৰ নহয় এবাৰ তুমুল বাক-বিতণ্ডা চলে। মই একেবাৰে অতিষ্ঠ হৈ পৰিছো। ভীষণ অশান্তিত ভুগি আছো মই। চাকৰিৰ পৰা অৱসৰ লৈ কি আশালৈ আহিছিলো গাঁৱলৈ! কিন্তু পালো কি? মোৰতো কোনো নাই, মই অকলশৰীয়া। ভাইহঁতৰ সংসাৰেই মোৰ সংসাৰ; সিহঁতৰ সুখ-দুখেই মোৰ সুখ-দুখ। কিন্তু এইবোৰ কেৱল কল্পনাহে। ভাইহঁতে যেন অৱসৰ লোৱালৈহে বাট চাই আছিল। সিহঁতৰ ওপৰত আজি হৃদয়ৰ দাম নাই। মোৰ প্ৰতি থকা আন্তৰিকতা মমতা-কৰুণা সিহঁতৰ এই সকলোবোৰেই যেন কৃত্ৰিম।

শান্তনু কাকতিয়ে একান্ত মনে কফি খোৱাত লাগিল।

এনেতে দুৱাৰৰ ওচৰত কাৰোবাৰ পদশব্দ শুনা গ'ল। শান্তনুৱে দুৱাৰৰ ফালে মুৰ তুলি চালে যদিও অজয় দত্তই নাচালে।

ঃ দাদা!—অজয় দত্তৰ দ্বিতীয় ভাতৃ সঞ্জয়ে দুৱাৰ মুখত থিয় হৈ মাত লগালে।

অজয় দত্তই দুৱাৰৰ ফালে চালে যদিও একো নক'লে। সঞ্জয় ধীৰে ধীৰে কোঠাটোৰ ভিতৰলৈ সোমাই আহিল।

ঃ কি হ'ল ?—অজয় দত্তই গম্ভীৰ স্বৰেৰে সুধিলে।

ঃ অলপ কথা আছিল।— সঞ্জয়ে ক'লে।

ঃ বহ।—কাষৰ চকী এখন ইংগিতেৰে দেখুৱাই অজয় দত্তই ক'লে।

সঞ্জয়ে এবাৰ শান্তনু কাকতিৰ মুখলৈ চাই সুধিলে, ঃ কেনে আছে ?

ঃ আছো কোনো ৰকম! তোমাৰ কেনে ?—শান্তনুৱে ওলোটাই প্ৰশ্ন কৰিলে।

ঃ ভালেই।—হাঁহি এটা মাৰি সঞ্জয় বহিল।

অজয় দত্তই প্ৰশ্নবোধক দৃষ্টিৰে সঞ্জয়ৰ মুখলৈ চাই ৰ'ল।

ঃ আমি চাৰিজনে অৱশেষত এটা কথা থিৰাং কৰিছো দাদা! —সঞ্জয়ে কোনো পাতনি নেমেলাকৈ ক'লে।

ঃ কি কথা ?—কথাটোৰ প্ৰতি যেন কোনো আগ্ৰহ নাই এনে ভাব দেখুৱালে অজয় দত্তই।

ঃ আমাৰ এই ঘৰটো আমি চাৰিজনে বিক্ৰী কৰাৰ সিদ্ধান্ত লৈছিলো।—এইবুলি সঞ্জয়ে এবাৰ শান্তনু আনবাৰ অজয় দত্তৰ মুখলৈ চালে।

শান্তনু কাকতি ভাবলেশহীন মুখ। অজয় দত্তৰো মুখমণ্ডলত কোনো প্ৰতিক্ৰিয়া দেখা নগ'ল।

ঃ কিন্তু আমাৰ সিদ্ধান্তত তুমি তীব্ৰ বাধা দিয়াত আমি সেই সিদ্ধান্ত সলনি কৰিছো।

সঞ্জয়ৰ কথাত অজয় দত্তই অবিশ্বাসৰ দৃষ্টিৰে সঞ্জয়ৰ মুখলৈ চালে। তাৰ পিছত ধীৰ কণ্ঠেৰে ক'লে, ঃ সেয়াতো বৰ ভাল কথা। হঠাৎ তহঁতৰ যে এই ঘৰ মাটি বিক্ৰী কৰিবলৈ মতি হৈছিল মই নাজানো।—অজয় দত্তৰ মুখত সন্তোষৰ হাঁহি বিৰিঙি উঠিল।

ঃ কিন্তু এটা কথা।—পুনৰ মাত লগালে সঞ্জয়ে।

অজয় দত্ত আৰু শান্তনু দুয়ো কৌতূহলেৰে চালে সঞ্জয়ৰ মুখলৈ।

ঃ এই ঘৰ আৰু এই মাটি তুমি বেচিবলৈ নিদিয়া আমি মানি ল'লো, কিন্তু তাৰ পৰিবৰ্তে আমাৰ নাৰ্চাৰীৰ মাটিডোখৰ আমি বিক্ৰী কৰিব বিচাৰিছো। এই কথাত নিশ্চয় তোমাৰ আপত্তি নাথাকিব।

এইবাৰ সঞ্জয়ৰ কথাত ককায়েক অজয় দত্ত হঠাৎ থৰ হৈ ৰৈ গ'ল। চকুৰ পলক পৰ্যন্ত নেপেলালে।

শান্তনু কাকতিয়ে এবাৰ অজয় দত্তলৈ আনবাৰ সঞ্জয়ৰ মুখলৈ চালে। কোঠাৰ ভিতৰত কাঁহ পৰি জীন যোৱা অৱস্থা।

ঃ নাৰ্চাৰিৰ মাটিখিনি বেচিবি?—অজয় দত্তৰ দুচকুত ক্ৰোধৰ ভাৱ ফুটি উঠিল।

ঃ ঘৰটো বেচিব নোখোজে যেতিয়া সেইখিনিকে বেচো। আমিতো খেতিৰ মাটি বেচাৰ কথা কোৱা নাই। ইয়াত বাধা দিবলগীয়াও নিশ্চয় একো নাই।—সঞ্জয়ে পুনৰ ক'লে।

ঃ নাই, হব নোৱাৰে।—অজয় দত্ত একেবাৰে বহাৰ পৰা উঠিল।

ঃ কিয় হ'ব নোৱাৰে?—সঞ্জয়ে অলপ উষ্মাৰে সুধিলে।

ঃ হ'ব নোৱাৰে। মই বহুবাৰ কৈছো। সেই কথা আকৌ আজি দোহৰাৰ প্ৰয়োজন নাই। খেতিৰ মাটিয়েই হওক বা নাৰ্চাৰিৰ মাটিয়েই হওক, বা এই ঘৰ বা ঘৰৰ-মাটি হওক, কোনো সম্পত্তিয়েই মোৰ জীৱিত অৱস্থাত বিক্ৰী নহ'ব।

ভাই-ককাইৰ এনে বাক-বিতণ্ডাত শান্তনু কাকতিয়ে অপ্ৰস্তুত বোধ কৰিলে। হঠাৎ তাৰপৰা ওলায়ো আহিব নোৱৰা হ'ল।

ঃ তোমাৰ ভাগটো ৰাখি আমাৰ ভাগবোৰ অন্ততঃ বিক্ৰী কৰাৰ সুবিধা দিয়া।—সঞ্জয়ে পুনৰ ক'লে।

ঃ পৈত্ৰিক সম্পত্তি ভাগ কৰিবলৈ দিয়া নহব। এয়া মোৰ শেষ কথা।

ঃ পৈত্ৰিক সম্পত্তি ভাগ নহ'ব—ই কেনে কথা ? আমাৰ অসুবিধা হৈছে। আমাক টকা লাগে। তুমি দিবা ? তুমি সম্পত্তি ভাগ কৰিব নিবিচৰা যেতিয়া আমাৰ ভাগবোৰ তুমিয়ে ৰাখা আৰু তাৰ মূল্যবোৰ আমাক দি দিয়া।

ঃ বাঃ, এইবাৰ এক বঢ়িয়া বুদ্ধি তৈয়াৰ কৰি আহিছ। ঠিক আছে, মই তহঁতৰ ভাগবোৰ কিনি ল'ম। কিন্তু মূল্য তহঁতে বিচৰা মতে নাপাবি। এই গাঁৱত বৰ্তমান মাটিৰ যি দাম, সেই দামেই দিয়া হ'ব। বিঘাই প্ৰতি কুৰি হাজাৰ টকা।—এই বুলি অজয় দত্ত পুনৰ নিজৰ আসনত বহিল।

ঃ সেয়া কেনেকৈ হ'ব ?—সঞ্জয়ে প্ৰতিবাদ কৰি চিঞৰি উঠিল।

ঃ কিয় নহ'ব ? বৰ্তমান ইয়াত চলিত যি দাম, তাতকৈ তো মই কম দিব বিচৰা নাই। তহঁতে নোহোৱা-নোপজা দাম এটা বিচাৰিলে মই ক'ৰ পৰা দিম ?

ঃ আমি যাক এই মাটি বেচিবৰ বাবে ঠিক কৰিছিলো, তেওঁ আমাক কঠাই প্ৰতি আঠ হাজাৰ টকাকৈ দিবলৈ প্ৰস্তুত আছে। —সঞ্জয়ে ক'লে।

ঃ তেতিয়াহ'লে সেই আশা পৰিত্যাগ কৰ ; আৰু এই বিষয়ে মই কোনো কথা আলোচনা নকৰো।

ঃ কিয় নকৰিবা ? কিয় নকৰিবা ?—হঠাৎ কোঠাটোলৈ বাকী কেইজন ভায়েক সোমাই আহিল। যেন আটাইকেইজন দুৱাৰৰ ওচৰত বৈহে আছিল কোঠাটোত সোমাবলৈ সুযোগৰ অপেক্ষাত।

ঃ এই ঘৰ, এই মাটি—এই সকলোবোৰ বেচাত তোমাৰ ইমান আপত্তি কিয় ? ইয়াত কি আছে ?—দ্বিতীয় ভাতৃ বিজয়ে চিঞৰি উঠিল।

ঃ ইয়াত মোৰ পিতাৰ আত্মা আছে, পিতাৰ দেহৰ ঘামৰ টোপাল মিহলি হৈ আছে এই মাটিত।—অজয় দত্তই ধীৰ কণ্ঠেৰে ক'লে।

ঃ পিতা কেৱল তোমাৰেই নে ?—সঞ্জয়ে খঙেৰে সুধিলে।

ঃ সেই কাৰণেই মই তহঁতৰ ওচৰতো দাবী কৰিব পাৰিছো। মাটি বিক্ৰীৰ বাহিৰে আন কিবা কথা আছে যদি পাত, নহ'লে মোৰ কোঠাৰ পৰা ওলাই যা।—অজয় দত্তই ক'লে।

ঃ এনেয়ে ওলাই নাযাওঁ। চয়-নিশ্চয় কিবা এটা আজি হ'বই লাগিব।—অজিতে জোৰ দি ক'লে।

ঃ ফইচলা এটাই, আৰু সেই কথা মই ইতিপূৰ্বে একাধিকবাৰ কৈছো। এই বিষয় লৈ তহঁত আৰু মোৰ ইয়ালৈ নাহিবি, কথাও নাপাতিবি।—খঙেৰে ক'লে অজয় দত্তই।

ঃ কিন্তু তুমি তোমাৰ মত পৰিবৰ্তন কৰিবই লাগিব।—বিজয়ে ক'লে।

ঃ অসম্ভব।

ঃ তুমি ইমান নীচ বুলি আমি সমূলি ভাবিব পৰা নাছিলো দাদা!—সঞ্জয়ে কলে।

ঃ নীচ?—অজয় দত্তই বিস্ময়েৰে চালে সঞ্জয়ৰ মুখলৈ।

ঃ অ' নীচ। তুমি এই সমস্ত ঘৰ মাটি আত্মসাৎ কৰিব বিচাৰিছা। তুমি ভালদৰেই জানা যে আমি এদিন নহয় এদিন এই ঘৰ মাটি ত্যাগ কৰি আঁতৰি যাম আৰু তেতিয়া তুমি এই সকলো সম্পত্তি অকলেই ভোগ কৰিব পাৰিবা। আৰে, খোলা খুলিকৈ তোমাৰ মনৰ কথা আমাৰ আগত কৈ নিদিয়া কিয়? আমাৰ ওচৰত আমাৰ ভাগবোৰ ভিক্ষা খোজা। হাঁহি মুখে দি যাম।—এই বুলি সঞ্জয় খঙেৰে কোঠাটোৰ পৰা ওলাই গ'ল।

ঃ তুমি তোমাৰ মত পৰিবৰ্তন কৰিবই লাগিব দাদা!—বিজিতে পুনৰ ক'লে।

ঃ যদি নকৰো?—অজয় দত্তই ক্ৰুদ্ধ দৃষ্টিৰে সৰু ভায়েক বিজিতৰ মুখলৈ চালে।

ঃ তেন্তে দেখা যাব।— বিজিতো ওলাই গ'ল।

অজয় দত্তই এইবাৰ খিৰিকী এখনৰ ওচৰলৈ গৈ বিজয় আৰু সঞ্জয়ৰ ফালে পিঠি দি খিৰিকীৰে বাহিৰলৈ চাই ৰ'ল। পিছ-

মুহূর্ততে সঞ্জয় আৰু বিজয়ো ভোৰ ভোৰাই ককায়েকৰ প্ৰতি শ্লেষাত্মক বাক্য প্ৰয়োগ কৰি আঁতৰি গ'ল।

শান্তনু কাকতি কোঠাটোৰ ভিতৰত তেতিয়াও শিলৰ মূৰ্তি এটাৰ দৰে বহি আছিল। ভাই ককাইৰ দ্বন্দ খৰিয়ালৰ মাজত এনেদৰে প্ৰত্যক্ষদৰ্শী হৈ বহি থাকি তেওঁৰ নিজকে কিবা কিবি লাগিছিল। ভীষণ অপ্ৰস্তুতবোধ কৰিছিল।

কেই মুহূৰ্তমানৰ পিছতে অজয় দত্ত খিৰিকীখনৰ ওচৰৰ পৰা আঁতৰি আহি পুনৰ শান্তনু কাকতিৰ সমুখত বহিল। শান্তনু কাকতিয়ে অজয় দত্তৰ মুখলৈ চালে। অজয় দত্তৰ মুখমণ্ডলত বিষণ্ণতাৰ চাপ।

ঃ দেখিলি শান্তনু?—অত্যন্ত হতাশাৰে ক'লে অজয় দত্তই।

শান্তনু কাকতিয়ে কিবা কব খুজিছিল যদিও নক'লে।

ঃ এয়াই ভাইহঁতৰ মোৰ প্ৰতি থকা আন্তৰিকতা, মোৰ প্ৰতি থকা ভক্তি। ইহঁতক কেৱল টকা লাগে! টকাৰ পাগল ইহঁত। পৈত্ৰিক সম্পত্তি বেচি ইহঁতে চহৰত সুন্দৰ আধুনিক ডিজাইনৰ ঘৰ সাজিব।—কথাখিনি কওঁতে অজয় দত্তৰ কণ্ঠস্বৰ থোকাথুকি হৈ পৰিছিল।

শান্তনু কাকতিয়ে কোনো উত্তৰ নিদিলে। শান্তনু কাকতিয়ে ভালদৰেই জানে যে অজয় দত্তৰ অন্তৰত কোনো পাপ নাই, কলুষতা নাই। সা-সম্পত্তিৰ প্ৰতি কোনো লোভ লালসাও নাই। ভায়েক-হঁতৰ প্ৰতি আছে অপৰিসীম স্নেহ। কিন্তু ভায়েকহঁতে ভুল বুজিছে অজয় দত্তক। অজয় দত্তক নীচ বুলি কোৱাত শান্তনু কাকতিয়েও ভীষণ দুখ পাইছে অন্তৰত।

দুখ বেদনাত জৰ্জৰিত হৈ অজয় দত্তই উচপিচাবলৈ ধৰিলে।

তহঁতৰ পাৰিবাৰিক কথা এইবোৰ। এই বিষয়ত মই বা আন তৃতীয় ব্যক্তি এজনে কি ক'ম?

ঃ চাকৰিৰ পৰা অৱসৰ লৈ আহি অনেক আশাৰে এই ঘৰত সোমাইছিলোহি। ভাবিছিলো ভাইহঁতৰ লগত সুখে শান্তিৰে

থাকিম ইয়াতে। সিহঁতেতো এই মাটি বাৰী বিক্ৰী নকৰাকৈও চহৰত ঘৰ দুৱাৰ সাজিব পাৰে। সিহঁতৰতো টকাৰ অভাৱ নাই। সিহঁতে ভাবিছে এনেদৰে আঁতৰি গ'লে এই সমস্ত সম্পত্তি মোৰ অকলেই ভোগ হ'ব। সিহঁতৰ হাব-ভাববোৰ চা-চোন। কিমান নীচ! মই বাৰু তেনে কৰিব পাৰোনে? সিহঁতৰ এনে মনোবৃত্তি দেখি মোৰ এতিয়া আত্মহত্যা কৰিবলৈ মন গৈছে বুজিছ শান্তনু!

ঃ ধেৎ, এনে কথা কিয় কৈছ? তোৰ দৰে মানুহৰ মুখত এনে কথাই শোভা নাপায়। ধৈৰ্য ধৰ, সকলো ঠিক হৈ যাব।

ঃ আৰু ঠিক হবলৈ কি আছে! একো ঠিক নহয়। সিহঁতৰ মনোবৃত্তি আৰু সলনি নহয়। সিহঁতৰ মগজত চয়তানে বাহ লৈছে।—এই বুলি অজয় দত্ত কেইমুহূৰ্তমানৰ বাবে থমকি ৰ'ল। তাৰ পিছত পুনৰ ক'বলৈ ধৰিলে, ঃ এই সম্পত্তি, এই ঘৰ-মাটি আমাৰ দেউতাৰ কষ্টৰ ফল। দেউতাই আমাৰ পাঁচো ভাইলৈকে সকলোধৰণৰ সুবিধা কৰি ইয়াত ঘৰ সাজিছিল, মাটি লৈছিল। ভৱিষ্যতে এইবোৰ বিক্ৰী কৰি বিলাস বহুল জীৱন যাপন কৰিবলৈ দেউতাই লোৱা নাছিল।

ঃ অহেতুক সেইবোৰ কথাকে চিন্তা কৰি নাথাকিবি। নিজৰ মনটোক সবল কৰ। ধৈৰ্য ধৰ, ধীৰে ধীৰে তেওঁলোকেও কথাবোৰ বুজি পাব আৰু তোৰ কথাত সন্মতি প্ৰকাশ কৰিব।—এইবুলি শান্তনু কাকতি বহাৰ পৰা উঠিল।

ঃ উঠিলিয়েই দেখোন?—অজয় দত্তই সুধিলে।

ঃ যাওঁ; যথেষ্ট সময় হ'ল।

ঃ ৰ', এতিয়াই কলৈ যাব? ভাত খাই যা।

ঃ ধেৎ, ঘৰত আটায়ে আশাৰে বহি থাকিব। আৰু মই ইয়াত খাই যোৱাটো অন্যায় নহ'ব জানো? তাতকৈ আন এদিন খাম দে। তই বেয়া নাপাবি। আৰু শুন, কাইলৈ দিনত মোৰ তালৈকে যাবি। দিনৰ ভাত সাজ তাতে খাবি। ওলাই গ'লে মনটোও ভাল লাগিব।

অজয় দত্তই কোনো উত্তৰ নিদিলে।

ঃ যাবিতো ?—শান্তনু কাকতিয়ে পুনৰ প্ৰশ্ন কৰিলে।

ঃ যাম। বহুদিন তোৰ তাত তোৰ সৈতে একেলগে ভাত খোৱা নাই। পাৰ যদি কৰবাত মোৱা মাছ পালে আনিবি। বহুদিন পাতত দিয়া মাছ খোৱা নাই অ'।

শান্তনু কাকতিয়ে হাঁহি মুৰ দুপিয়াই ক'লে, ঃ হ'ব হ'ব ; তই ভাল পোৱা বস্তু কেইটাকে যোগাৰ কৰি থম। এতিয়া যাওঁ মই।—শান্তনু কাকতি কোঠাৰ দুৱাৰৰ ফালে খোজ আগবঢ়ালে।

অজয় দত্তই হাতত টৰ্চ এটা লৈ শান্তনু কাকতিক গেটৰ ওচৰলৈকে আগবঢ়াই দিবলৈ পিছে পিছে গ'ল।

তিনি

ঃ কি হ'ল অজয় ? তই বৰ উৎকণ্ঠিত হৈ থকা যেন লাগিছে। আকৌ কিবা ....।

ঃ মই তোৰ বাবেই বাট চাই আছো শান্তনু ! এটা গুৰুত্বপূৰ্ণ কথা আছে তোৰ লগত। আহ, মোৰ কোঠালৈ—অজয় দত্ত দ্ৰুত পদক্ষেপেৰে নিজৰ কোঠাৰ ফালে আগবাঢ়িল।

শান্তনুৱে স্কুটাৰখন লৰালৰিকৈ ষ্টেণ্ড কৰি থৈ অজয় দত্তক অনুসৰণ কৰিলে। দুয়ো গৈ কোঠাৰ ভিতৰ সোমোৱাৰ লগে লগে অজয় দত্তই দুৱাৰখন জপাই ভিতৰ ফালে হুক্ লগাই দিলে।

ঃ কি হ'ল, কচোন ?—শান্তনুৱে কৌতূহলেৰে সুধিলে।

ঃ এটা ডাঙৰ ঘটনা ঘটিছে শান্তনু ! এতিয়া মোৰ জীৱনৰ সংশয়।—অজয় দত্তই সামান্য কপাঁ কপাঁ কণ্ঠেৰে ক'লে।

ঃ মানে ?

ঃ মোৰ আলমাৰীৰ পৰা মোৰ পিস্টলটো চুৰি হৈছে।

ঃ চুৰি হৈছে ? কেতিয়া ?—শান্তনু আচৰিত হ'ল।

ঃ কেতিয়া চুৰ হৈছে মই নাজানো। আজি সন্ধ্যা বিচাৰোতে নাপালো।

ঃ তই ভুল কৰা নাইতো ? মানে কৰবাত থৈ কৰবাত বিচৰা নাইতো ?—শান্তনুৱে কথাটো পাতল কৰিবলৈ চেষ্টা কৰিলে।

ঃ নাই, মোৰ ভুল হোৱা নাই শান্তনু ! মোৰ পিস্টল মই এটা ঠাইতে থওঁ। মই নিশ্চিত যে মোৰ পিস্টল চুৰ হৈছে আৰু ই মোৰ বাবে বিপদজনক।

ঃ এই কাম কাৰ দ্বাৰা সম্ভৱ হ'ব পাৰে ?—শান্তনুৱে চিন্তিত মনেৰে প্ৰশ্ন কৰিলে।

ঃ মই সন্দেহতে কাৰো নাম নিবিচাৰো। কিন্তু এই চুৰ কোনো বাহিৰৰ মানুহৰ দ্বাৰা হোৱা নাই। চুৰ কৰিছে ঘৰৰ মানুহেই।

শান্তনুৱে অবাক বিস্ময়েৰে অজয় দত্তৰ মুখলৈ চাই ৰ'ল।

ঃ তই মোক এটা কাম কৰি দিব লাগিব শান্তনু! এতিয়াই। —অজয় দত্তই পুনৰ ক'লে।

ঃ কি কাম কচোন?

ঃ মই এখন চিঠি লিখি থৈছো। চিঠিখন তই যিকোনো প্ৰকাৰে মোৰ বন্ধু অনিমেষ গোস্বামীক দি আহিব লাগে। উকিল অনিমেষ গোস্বামী। পাৰিবিনে? এই নিশা ইমান দূৰ যাবলৈ তোৰ অসুবিধা নহয়তো?

ঃ সুবিধা-অসুবিধাৰ কথা পিছত। প্ৰথমতে চিন্তা কৰিব লগা হৈছে তোৰ জীৱনক লৈ। কথাটো শুনি সচাঁকৈয়ে আচৰিত হৈছো অজয়! মানুহ ইমান তললৈ নামিব পাৰেনে?

ঃ পাৰে, শান্তনু পাৰে। টকাৰ কাৰণে মানুহে সকলো কামেই কৰিব পাৰে। আজিৰ এই যান্ত্ৰিক যুগত প্ৰাণৰ কোনো মূল্য নাই। বাৰু এইবোৰ কথা এতিয়া বাদ দিছো। তই এই চিঠিখন লৈ বেগতে যা।—অজয় দত্তই টেবুলৰ পৰা চিঠি এখন উঠাই শান্তনুৰ হাতত দিলে।

ঃ মই ঘৰত সোমাই মোৰ ল'ৰা দেৱব্ৰতকো লৈ যাম। কিন্তু এই বিষয়লৈ তই উকিল অনিমেষ গোস্বামীলৈ চিঠি দিব লগা হ'ল কিয়? তাতকৈ থানাত কথাটো জনোৱা হ'লে বোধহয় ভাল আছিল নেকি!—শান্তনুৱে প্ৰশ্নবোধক দৃষ্টিৰে অজয় দত্তৰ মুখলৈ চালে।

ঃ আজি কেইদিনমানৰ আগতে ছীফ ডিটেক্‌টিভ অফিচাৰ দেৱজিত ফুকন অনিমেষ গোস্বামীৰ ঘৰলৈ আহিছে। পৰহি মই গোস্বামীৰ ঘৰলৈ যাওঁতে তেখেতক লগ পাইছিলো। অৱশ্যে মিঃ ফুকনক মই গুৱাহাটীত থকাৰ পৰাই জানো। ইয়ালৈ কিবা এটা কেছত আহিছে। সেইকাৰণেই মই গোস্বামীলৈ চিঠিখন দিছো। বিতংভাৱে লিখি দিছো কথাখিনি। আশা কৰো মোৰ অনুৰোধ দেৱজিত ফুকনে নেপেলাব। ফুকন আহিলে মই কথাটো আলোচনা কৰিম।

ঃ ঠিক আছে। মই তেন্তে সময় নষ্ট নকৰো। শীঘ্ৰে যাওঁ : তই চিন্তা নকৰিবি। যদি কৰ, মই থানাতো খবৰটো দি আহিম! —শান্তনুৱে সুধিলে।

ঃ নাই নাই ; থানাত এতিয়াই খবৰ দিব নালাগে। ঘৰৰে কথা। ই সকলোৰে বাবে ক্ষতিকাৰক হ'ব।

শান্তনু কাকতিয়ে আৰু সময় নষ্ট নকৰি ততাতৈয়াকৈ ওলাই গ'ল।

*   *   *

ফাইলবোৰ সামৰি থানাৰ ইন্‌চাৰ্জ বিবেক বসুমতাৰীয়ে এটা দীঘলীয়া হামি মাৰিলে।

ঃ হেৰা কলিতা!—ওচৰতে থিয় হৈ থকা কনিষ্টবলটোলৈ চাই বসুমতাৰীয়ে মাত লগালে।

ঃ চাৰ! —কলিতাই আদেশৰ অপেক্ষাত ৰ'ল।

ঃ বৰ্মণ আহিছেনে নাই চোৱা।—বসুমতাৰীয়ে ক'লে।

কনিষ্টবল কলিতা বাহিৰলৈ ওলাই গ'ল। এনেতে ফোনটো বাজি উঠাত বসুমতাৰীয়ে বিৰক্তিৰে ফোনটোৰ ফালে চাই ক্ৰেডেলৰ পৰা ৰিচিভাৰটো তুলি সহঁাৰি জনালে ঃ য়েচ্ পুলিচ ষ্টেচন!

ঃ কোনে কৈছে? ইন্সপেক্টৰ বসুমতাৰী নেকি?—আনমূৰৰ পৰা সুধিলে।

ঃ অ', মই ইন্সপেক্টৰ বসুমতাৰী!

ঃ হেল্লো, শুনক! মই কাঞ্চনজুৰি গাঁৱৰপৰা কৈছো।

ঃ ক'ৰপৰা? মধুপুৰৰ পৰা? মানে কাঞ্চনজুৰি গাঁৱৰপৰা? —বিবেক বসুমতাৰীয়ে পুনৰ দোহাৰিলে।

ঃ হয়, মই সঞ্জয় দত্তই কৈছো।

ঃ অ', তাৰমানে দত্ত পৰিয়ালৰপৰা? এৰা, কাঞ্চনজুৰিৰ পৰা আপোনালোকৰ বাহিৰে আৰু কোনে ফোন কৰিব পাৰে? কওকচোন, কি খবৰ? কিবা চুৰি ডকাইতিৰ ঘটনা নহয় তো? —বিবেক বসুমতাৰীয়ে সুধিলে।

ঃ চুৰি ডকাইতিৰ ঘটনা নহয় মিঃ বসুমতাৰী !

ঃ তেন্তে ?

ঃ মোৰ দাদা···অজয় দত্তই আত্মহত্যা কৰিছে।

ঃ হোৱাট ?—বিবেক বসুমতাৰী উচপ খাই উঠিল।

ঃ হয়, আপুনি পাৰিলে সোনকালেই·········।

ঃ আত্মহত্যা ক'ত ? কেতিয়া ? ঘৰত নে বাহিৰত ?—বসুমতাৰীয়ে একেলগে অনেক প্ৰশ্ন সুধি পেলালে।

ঃ আপুনি আহিলেই সবিশেষ জানিব মিঃ বসুমতাৰী!

ঃ কেংটো চিপজৰী নে, কিবা বিহ-তিহ খাই·· ······।

ঃ নহয়, নহয় ; দাদাই নিজৰ পিষ্টলেৰে মূৰত গুলিয়াই আত্মহত্যা কৰিছে।

ঃ কিমান সময়ত ঘটনাটো ঘটিছে ?

ঃ বেছি সময় হোৱা নাই। পঞ্চলিছ মিনিটমান হৈছে।

ঃ ঠিক আছে ; মই গৈ আছো।—বসুমতাৰীয়ে বিচিভাৰটো ক্ৰেডেলত থৈ কলিং বে'লটো বজালে।

বাহিৰলৈ যোৱা কনিষ্টবল কলিতা পুনৰ লৰি সোমাই আহিল।

ঃ হেৰা, এতিয়াই কাঞ্চনজুৰিলৈ যাব লাগিব। যোগেশ্বৰ ক'ত ? জীপখন আনিবলৈ কোৱা।—বসুমতাৰীয়ে নিৰ্দেশ দিলে।

ঃ মাৰ্ডাৰ কেচ্ নেকি চাৰ ?—কলিতাই আগ্ৰহেৰে সুধিলে।

বসুমতাৰীয়ে কোনো উত্তৰ নিদি খঙেৰে কলিতালৈ চালে। কলিতাই লগে লগে যোগেশ্বৰক বিচাৰি বাহিৰ ওলাল।

বসুমতাৰীয়েও মূৰত টুপীটো পিন্ধি হাতত ডায়েৰী আৰু ষ্টিক্‌ডাল লৈ লৰালৰিকৈ বাহিৰ ওলাল।

পুলিচৰ জীপখন গৈ কাঞ্চনজুৰি গাঁৱৰ দত্ত পৰিয়ালৰ বৃহৎ পৰিসৰৰ তিনিমহলীয়া দালানটোৰ সমুখত ৰ'ল। নিশা তেতিয়া বাৰ বাজি গৈছে। বিবেক বসুমতাৰী জীপখনৰপৰা নামি দ্ৰুত

পদক্ষেপেৰে ঘৰটোৰ ফালে আগুৱাই গ'ল। পিছে পিছে তিনিজন কনিষ্টবল।

ঘৰটোৰ সমুখৰ বাৰান্দাখনত এজুম মানুহ। বোধহয় গাঁৱৰে। পুলিচ অহা দেখি আটাইৰে কথোপকথন বন্ধ হ'ল। পৰম কৌতূহলেৰে আটায়ে ইনচাৰ্জ বিবেক বসুমতাৰীৰ ফালে চালে। অজয় দত্তৰ দুই ভাতৃ বিজয় আৰু সঞ্জয় বিবেক বসুমতাৰীৰ ওচৰলৈ আগুৱাই গ'ল। দুয়ো যেন শোকত ভাগি পৰিছে।

ঃ আহক।—সঞ্জয়ে ক'লে।

বিবেক বসুমতাৰীয়ে থমকি ৰৈ বিজয় আৰু সঞ্জয়ৰ মুখলৈ এবাৰ তীক্ষ্ন দৃষ্টিৰে চালে। তাৰ পিছত নীৰৱে সঞ্জয় আৰু বিজয়ক অনুসৰণ কৰিলে।

এনেতে এখন গাড়ী আহি পুলিচ জীপখনৰ কাষতে ৰ'লহি। বিবেক বসুমতাৰীয়ে ঘূৰি চালে। সঞ্জয়-বিজয়ো ৰৈ গ'ল।

ঃ কোন আহিছে? সেইখন কাৰ গাড়ী?—বসুমতাৰীয়ে প্ৰশ্ন কৰিলে।

ঃ নাজানো।—বিজয়ে ক'লে।

ইতিমধ্যে গাড়ীখনৰপৰা প্ৰথম শান্তনু কাকতি নামিল। পিছ মুহূৰ্তত নামিল উকিল অনিমেষ গোস্বামী আৰু ডিটেকটিভ দেৱজিত ফুকন।

বসুমতাৰীয়ে অনিমেষ গোস্বামীক চিনি পাই লগে লগে অনুচ্চ কণ্ঠেৰে প্ৰশ্ন কৰিলে, ঃ উকিলে আকৌ ইয়াত কি তদন্তডাল কৰিব?

অনিমেষ গোস্বামী আগুৱাই আহিল বসুমতাৰীৰ ওচৰলৈ।

ঃ নমস্কাৰ মিঃ বসুমতাৰী!—অনিমেষ গোস্বামীয়ে পোনতে নমস্কাৰ জনালে।

ঃ নমস্কাৰ।—প্ৰতি নমস্কাৰ জনাই বসুমতাৰীয়ে প্ৰশ্ন কৰিলে ঃ পিছে এই নিশা............?

ঃ এখেতক চিনি পোৱা নাই?—দেৱজিতক দেখুৱাই অনিমেষ গোস্বামীয়ে সুধিলে, ঃ এখেত ছীফ ডিটেক্‌টিভ অফিচাৰ মিঃ দেৱজিত ফুকন।

ঃ দেৱজিত ফুকন ?—বসুমতাৰীয়ে বিস্ফাৰিত নেত্ৰেৰে দেৱজিতলৈ চালে।

ইতিমধ্যে দেৱজিতে পকেটৰ পৰা নিজৰ 'আইডেণ্টিটি কাৰ্ড' খন উলিয়াই বসুমতাৰীক দেখুৱালে। বসুমতাৰীয়ে লগে লগে পুলিচ প্ৰথামতে দেৱজিতক চেলুট দিলে।

ঃ কিন্তু চাৰ, আপুনি খবৰ পালে কেনেকৈ? এই হেন ঘোকোট গাঁৱলৈ............।

ঃ মই আজি কিছুদিন ধৰি গুৱাহাটীৰ পৰা আহি এখেতৰ ঘৰতে আছো।—বসুমতাৰীৰ প্ৰশ্ন সম্পূৰ্ণ শেষ হোৱাৰ পূৰ্বেই দেৱজিতে ক'লে, ঃ এখেত মোৰ বন্ধু। আনহাতে অজয় দত্ত এখেতৰ বন্ধু আছিল।

ঃ মোক আক' খবৰটো দিলে এখেতে।—শান্তনু কাৰ্কীতলৈ আঙুলিয়াই দেখুৱাই অনিমেষ গোস্বামীয়ে ক'লে।

ঃ এখেত কোন ?—বসুমতাৰীয়ে পুনৰ প্ৰশ্ন কৰিলে।

ঃ মই অজয় দত্তৰ এজন বিশিষ্ট বন্ধু আছিলো।—শান্তনু কাৰ্কীতয়ে ক'লে।

ঃ আপুনি ঘটনাৰ বিষয়ে জানিলে কেনেকৈ? আপুনি এই গাঁৱৰে নেকি ?—শান্তনু কাৰ্কীতক উদ্দেশ্যি বসুমতাৰীয়ে প্ৰশ্ন কৰিলে।

ঃ মই এই গাঁৱৰ নহয়। মোৰ ঘৰ মধুপুৰত।

বাৰু এতিয়া এইবোৰ তদন্ত বাদ দিয়ক। এইবোৰ কথা পিছে-পৰেও জানিব পাৰিব! ব'লক এতিয়া মৃতদেহটো চাই আহো।—দেৱজিতে বিৰক্তিৰে ক'লে।

ঃ হয় চাৰ, এইবোৰ তদন্ত পিছে-পৰেও কৰিব পাৰিম — বিবেক বসুমতাৰীয়ে সেমেনা সেমোন কৰি ক'লে।

বিজয় আৰু সঞ্জয়ে দেখুৱাই লৈ যোৱা পথেৰে আটায়ে তৃতীয় মহলাৰ ফালে আগবাঢ়িল।

মই এই কেছত হস্তক্ষেপ কৰাত আপুনি বেয়া পোৱা নাইতো,

মিঃ বসুমতাৰী ?—দেৱজিতে গৈ থাকোতে বসুমতাৰীক প্ৰশ্ন কৰিলে।

ঃ নাই চাৰ, তেনেদৰে কৈ মোক কিয় লাজ দিছে ? আপুনি এনেদৰে সহায় কৰিবলৈ আগবাঢ়ি অহাৰ কাৰণে বৰং মই অতি সুখীহে হৈছো।—বসুমতাৰীয়ে ক'লে।

দেৱজিতে দুনাই একো নক'লে।

যিটো কোঠাত অজয় দত্ত শোৱে সেই কোঠাটোৰ সমুখৰ মুকলি অংশতে অজয় দত্ত চিৎ হৈ পৰি থকা আটায়ে দেখা পালে। দেৱজিত আগুৱাই গৈ অত্যন্ত মনোযোগেৰে মৃতদেহটো লক্ষ্য কৰিলে। হাত দুখন দুফালে মেল খোৱা অৱস্থাত আছে। সোঁহাতৰ কাষতে পৰি আছে এটা ৩৮ কেলিবাৰৰ পিষ্টল। অজয় দত্তৰ মূৰটো সামান্য কাতি হৈ আছে। ভ্ৰূযুগলৰ মাজ অংশত ক্ষত চিহ্ন। ক্ষত অংশৰ পৰা তেজৰ ধাৰ বৈ মজিয়াৰ অনেক অংশ তিয়াই পেলাইছে। পিন্ধনত শ্লিপিং চুট। এখন ভৰিত এপাত চেণ্ডেল আছে যদিও আনখন ভৰিৰ চেণ্ডেলপাত সামান্য দূৰত পৰি আছে।

বিবেক বসুমতাৰীয়েও আঠুকাঢ়ি মৃতদেহটো আগ্ৰহেৰে লক্ষ্য কৰিলে। মৃতকৰ হাত এখন চুই দেৱজিতে বুজিলে যে মৃতদেহৰ পেশীয়ে পেশীয়ে ৰাইগৰ মৰ্টিচ আৰম্ভ হৈছে।

ঃ আপুনি আপোনাৰ তদন্ত আৰম্ভ কৰক মিঃ বসুমতাৰী ! —দেৱজিতে ক'লে।

ঃ মইতো চাৰ একো অনুমান কৰিব পৰা নাই। আপুনি চাৰ কিবা অনুমান কৰিব পাৰিছেনে ?—বসুমতাৰীয়ে অনুনয়ৰ সুৰত সুধিলে।

দেৱজিতে চিগাৰেট এটা জ্বলাই ধীৰ কণ্ঠেৰে উত্তৰ দিলে, ঃ এইটো আত্মহত্যাৰ কেছ নহয়। হি হেজ্ বীন মাৰ্ডাৰ্ড। অজয় দত্তক হত্যা কৰা হৈছে।

ঃ হত্যা ?—বিবেক বসুমতাৰীয়ে এক আচৰিত দৃষ্টিৰে দেৱজিতলৈ চালে।

দেৱজিতে মুখখন সামান্য হুঁহাৰ দৰে কৰিলে।

ঃ আপোনাৰ চকুত হয়তো কিবা বিসদৃশ ধৰা পৰিছে।—বিবেক বসুমতাৰীয়ে কওঁ নকওঁকৈ ক'লে।

দেৱজিতে একো নকলে।

ঃ ঘটনাটো প্ৰথম কোনে দেখিছিল?—বিবেক বসুমতাৰীয়ে অজয় দত্তৰ ভায়েকহঁতৰ ফালে চাই সুধিলে।

ঃ কবলৈ গ'লে আমি চাৰিও ভায়ে একেলগে দেখা পাইছো।—বিজয়ে ক'লে, ঃ মই আৰু সৰু ভাই বিজিতে ভাত খাই উঠি ছাদত বহিছিলো। সঞ্জয় তাৰ কোঠাত বহি টি, ভি চাই আছিল আৰু অজিত গৈছিল গেট বন্ধ কৰিবলৈ। হঠাৎ গুলিৰ শব্দ শুনি আমি দুয়ো দাদাৰ কোঠাৰ ফালে লৰি আহিলো। সিহঁতো আহি প্ৰায় একে সময়তে এই ঠাইত উপস্থিত হৈছিল।

ঃ গুলিৰ শব্দ শুনিয়েই আপোনালোকে কেনেকৈ জানিলে আপোনালোকৰ দাদাই এনে এক দুৰ্ঘটনা ঘটালে?—এই বাৰ দেৱজিতে প্ৰশ্ন কৰিলে।

ঃ নাই, মানে আমি তেতিয়া সমুলি ভবা নাছিলো।—বিজয়ে সেমেনা সেমেনি কৰি ক'লে।

ঃ আপোনালোকৰ আন দুজন ভাই ক'ত? পৰিয়ালৰ আন আন মানুহবোৰকো মাতি আনকচোন, চিনাকি হওঁ।—দেৱজিতে ক'লে।

সঞ্জয়ে গৈ আটাইকে সেই ঠাইলৈ মাতি আনিলে আৰু আটাইকে পৰিচয় কৰাই দিলে।

ঃ পৰিয়ালৰ সদস্য অনেক দেখোন?—দেৱজিতে হাঁহি এটা মাৰি ক'লে।

কোনেও একো উত্তৰ নিদিলে।

ঃ সেই ছোৱালী জনী কাৰ?—অলপ আঁতৰত থিয় হৈ থকা ছোৱালী এজনীলৈ আঙুলিয়াই দেৱজিতে সুধিলে।

ঃ সেইজনী মোৰ ছোৱালী পিংকী।—বিজয়ে ক'লে।

ঃ চাওঁ পিংকী তুমি এইফালে আহাচোন।—দেৱজিতে ওচৰলৈ মাতিলে।

পিংকী নামৰ ১৩-১৪ বছৰ বয়সীয়া ছোৱালী জনী চুচুক চামাককৈ আগুৱাই আহিল।

ঃ তোমাৰ নাম পিংকী ?—দেৱজিতে সুধিলে।

ঃ হয়।—পিংকীয়ে মূৰ দুপিয়ালে।

ঃ তুমি গুলিৰ শব্দ শুনিছিলানে ?

ঃ হয়, শুনিছিলো।—পিংকীয়ে ক'লে।

ঃ শোৱা নাছিলা ?

ঃ নাই।

ঃ গুলিৰ শব্দ শুনি তুমি বাৰু কি কৰিছিলা ?

ঃ বৰদেউতাৰ ৰুমৰ ফালে মাহঁতৰ সৈতে লৰি আহিছিলো।

ঃ আৰু তোমাৰ দেউতা বা খুৰাহঁত ?

ঃ দেউতাহঁত আগতেই আহি ইয়াত উপস্থিত হৈছিল।

ঃ গুলি যে তোমাৰ বৰদেউতাৰ কোঠাৰপৰা আহিছিল তুমি কেনেকৈ জানিলা ?

ঃ পিস্টল কেৱল বৰ দেউতাৰহে আছে।

ঃ গুলিৰ শব্দৰ আগতে কোনো ধৰণৰ চিঞৰ-বাখৰ বা আৰ্তনাদ শুনিছিলা নেকি ?

ঃ ওহোঁ, নাই শুনা।

ঃ বাৰু, তুমি যোৱা।

বসুমতাৰীয়ে লগে লগে কথাবোৰ ডায়েৰীত লিপিবদ্ধ কৰি গ'ল।

ঃ মিঃ বসুমতাৰী !—দেৱজিতে মাত লগালে।

ঃ চাৰ !—আগ্ৰহেৰে সুধিলে বসুমতাৰীয়ে।

ঃ মই সাজু হৈয়ে আহিছো। আপুনি এতিয়াই অপৰাধীক এৰেষ্ট কৰি লৈ যাব পাৰিব। সদ্যহতে নাইট্ৰেট টেষ্টটো কৰি চাওঁ। কি কয় ?

ঃ কিন্তু আপুনি কিহেৰে কৰিব চাৰ ? চলিউচন……।

ঃ চলিউচন মই লগতে লৈয়ে আহিছো। পিস্টল-বন্দুকৰ

কথাতো !—দেৱজিতে পকেটৰ পৰা মেটাফিনিলিন ডাই এমিন'ৰ এচিড মিশ্ৰিত দ্ৰৱণৰ এটা বটল বাহিৰ কৰি তাৰপৰা কেইটোপালমান অজয় দত্তৰ সোঁহাতৰ তলুৱাত পেলালে।

কিন্তু কোনো ফল নধৰিল। দ্ৰৱণখিনি হাতৰ পৰা বাগৰি গৈ মজিয়াত পৰিল। দেৱজিতে বসুমতাৰীৰ মুখলৈ চালে। বসুমতাৰীৰ চকু দুটা জ্বলজ্বলাই উঠিল। যেন চিকাৰৰ ওপৰত জাপিয়াই পৰিব এতিয়াই। দেৱজিতে এইবাৰ বাওঁহাতৰ তলুৱাত দ্ৰৱণখিনি ঢালিলে। একেই ফল হ'ল।

বসুমতাৰীয়ে জেপৰপৰা ৰুমাল এখন উলিয়াই আলফুলকৈ পিস্টলটো তুলি ল'লে। কনিষ্টবল কলিতা আগবাঢ়ি অহাত বসুমতাৰীয়ে পিস্টলটো কলিতাৰ হাতত দিলে।

ঃ সেইটোত বোধহয় কাৰো আঙুলিৰ ছাপ নাপাব।—দেৱজিতে ক'লে।

ঃ সেই বিষয়ত ময়ো নিশ্চিত চাৰ। —হাঁহি ক'লে বসুমতাৰীয়ে।

ঃ আপুনি জানেনে, এই পিস্টলটো আজি সন্ধ্যাৰ পৰা অজয় দত্তৰ আলমাৰীৰ পৰা নিখোজ হৈছিল ?—দেৱজিতে বসুমতাৰীলৈ প্ৰশ্নবোধক দৃষ্টিৰে চালে।

ঃ কিন্তু পিস্টল চুৰিৰ কথালৈতো আজি থানাত কোনোৱে ৰিপৰ্ট লিখোৱা নাই !—বসুমতাৰীয়ে আচৰিত হৈ ক'লে।

ঃ দাদাই আত্মহত্যা কৰা নাই ?—অজয় দত্তৰ ভায়েক সঞ্জয়ে আচৰিত হৈ সুধিলে।

দেৱজিতে বিজয়, সঞ্জয়, অজিত আৰু বিজিতৰ উদ্বিগ্নতাৰে ভৰা মুখবোৰলৈ চাই গম্ভীৰ স্বৰেৰে ক'লে, ঃ আপোনালোক চাৰিওজন থানালৈ যাব লাগিব। মই এই হত্যাকাণ্ডত আপোনা-লোক জড়িত আছে বুলি নিশ্চিত ভাৱে প্ৰমাণ কৰিব পাৰো।

ঃ এই হত্যাৰ অপৰাধত আপোনালোকক গ্ৰেপ্তাৰ কৰা হ'ল। —বসুমতাৰীয়ে লগে লগে ক'লে।

ঃ এয়া আপোনালোকে কি কৈছে? আমি দাদাক হত্যা কৰিলো?—আটাইকেইজন ভাতৃয়ে একেস্বৰে চিঞৰি উঠিল।

ঃ আপোনালোকে নিজকে যিমান বুদ্ধিমান বুলি ভাবিছে, প্ৰকৃততে সিমান বুদ্ধিমান নহয়। কাৰণ বিজ্ঞানৰ সাধাৰণ জ্ঞানকণো আপোনালোকৰ নাই।—দেৱজিতে ক'লে।

ঃ হ'বই নোৱাৰে। আমি এনে ঘৃণনীয় কাম কেতিয়াও কৰিব নোৱাৰো। দাদাই আত্মহত্যা কৰিছে।—বিজয়ে চিঞৰি উঠিল।

ঃ আত্মহত্যা কোনো সুস্থ ব্যক্তিয়ে নকৰে। তদুপৰি আজি কিছুদিন ধৰি মাটিবাৰী সংক্ৰান্ত লৈ আপোনালোকে মৃত অজয় দত্তৰ ওপৰত যি মানসিক উৎপীড়ন চলাই আছিল, সেই কথা মই ইতিমধ্যে গম পাইছো। বাকু সেইবোৰ কথা মই পিছতো বিশ্লেষণ কৰিম। বিজ্ঞানৰ সাধাৰণ জ্ঞানকণো আপোনালোকৰ যে নাই বুলি ক'লো, তাৰ কাৰণ হ'ল—এজন থিয় হৈ থকা মানুহ ধৰি লওক, হঠাৎ তেওঁ জ্ঞান হেৰুৱাই পৰি গ'ল, তেতিয়া তেওঁ এনেদৰে চিৎ হৈ নপৰে। যিহেতু মূৰৰ সমুখৰ ভাগ গধুৰ এতেকে মূৰটো সমুখৰ ফালেই হালি আহিব। আৰু গধুৰ মূৰটো সমুখৰ ফালে হালি অহাৰ বাবেই সমস্ত শৰীৰটোৱেই মুখ থেকেচা খাই পৰিব। এনেদৰে চিৎ হৈ পৰি থকা মৃতদেহ দেখিয়েই বুজা গৈছে যে ঘটনাটো সজোৱা হত্যাৰ বাহিৰে আন একো নহয়। হত্যা কৰি এনেদৰে শুৱাই দিয়া হৈছে একেবাৰে বুৰ্বকলোকৰ দৰে। তদুপৰি কোঠাৰ ভিতৰত এনে সুন্দৰ বিচনা থাকোতে এই ঠাইত এনেদৰে এখন ভৰিত চেণ্ডেল পিন্ধি চিৎ হৈ শুই নিশ্চয় নিজৰ কপালত গুলি চলোৱা নাই। এয়া নিশ্চিত এক হত্যাকাণ্ড। এই কথাও নিশ্চিত হৈ পৰিছে যে বাহিৰৰ পৰাও কোনো আততায়ী আহি এই কাম কৰা নাই।

দেৱজিতৰ কথাত চাৰিও ভায়ে পৰস্পৰে পৰস্পৰৰ মুখলৈ চালে। খন্তেক মৌন হৈ থাকি দেৱজিতে পুনৰ কবলৈ ধৰিলে,

ঃ তদুপৰি যেতিয়া পিস্টলৰ গুলি এৰে তেতিয়া পিস্টলৰ পোৱা বাৰুদ হাতৰ তলুৱাত লাগি যায়। পোৱা বাৰুদত থাকে পটাচিয়াম নাইট্ৰেট। সেইকাৰণে হাতত মেটাফিনিলিন ডাই এমিন' নামৰ এচিড মিশ্ৰিত দ্ৰৱণ ঢালিলে পটাচিয়াম নাইট্ৰেটৰ লগত ৰাসায়নিক বিক্ৰিয়াৰ ফলত এক বাদামী ৰং দেখা যায়। কিন্তু এই পৰীক্ষাত মৃত দত্তৰ হাতৰ তলুৱাত 'বিচমাৰ্ক ব্ৰাউন' পোৱা নগ'ল। তাৰমানে তেওঁ নিজে যে পিস্টল চলোৱা নাই তাৰ প্ৰমাণ পোৱা গ'ল। তেওঁক নিচেই ওচৰৰ পৰা যেতিয়া গুলি কৰা হৈছিল তেতিয়া তেওঁ বাধা দিবও পৰা নাছিল। কাৰণ ভাতৃক ঘাতক ৰূপে দেখি তেওঁ হতভম্ব হৈ পৰিছিল। হৃদয় ভাগি থানবান হৈ গৈছিল। যাৰ ফলত তেওঁ এটা চিঞৰো মৰা নাছিল। নাইবা তেওঁৰ দুয়োখন হাত বন্ধা আছিল। বোধহয় তেওঁৰ মুখখনো বন্ধ কৰি ৰখা হৈছিল। অৰ্থাৎ আপোনালোকৰ ভিতৰত দুজনে দুফালৰ পৰা মৃতৰ দুহাতত ধৰি ৰাখিছিল ; তৃতীয়জনে চিঞৰিব নোৱাৰাকৈ মুখত ধৰিছিল আৰু চতুৰ্থজনে গুলি চলাইছিল।— এইবুলি দেৱজিত ৰ'ল।

চাৰিও ভাই একেঠাইতে স্থাণুৰ দৰে থিয় হৈ ৰ'ল। কাৰো মুখত কোনো কথা নাই।

ঃ আজি সন্ধিয়া অজয় দত্তই যেতিয়া গম পালে যে তেওঁৰ পিস্টলটো চুৰি হৈছে তেতিয়াই তেওঁ বুজিলে যে বিপদ তেওঁৰ সন্নিকট। তেওঁৰ বন্ধু শান্তনু কাকতিৰ হাতত চিঠি এখন লিখি তেওঁ আজি সন্ধিয়া মোৰ বন্ধু গোস্বামীৰ ওচৰলৈ পঠিয়াইছিল আৰু মোৰ লগত আলোচনা কৰিবলৈ মোক মাতি পঠিয়াইছিল। কিন্তু দুৰ্ভাগ্য যে মিঃ কাকতি যেতিয়া গোস্বামীৰ ঘৰলৈ গৈছিল তেতিয়া মই এক জৰুৰী কামত বাহিৰত আছিলো। নিশা নবজাত যেতিয়া ঘৰ সোমাওঁ, তেতিয়া আৰু গোস্বামীয়ে মোক সকলো কথা কৈছিল ; কিন্তু তেতিয়া আৰু ইয়ালৈ অহাৰ ইচ্ছা নাছিল। ভীষণ ক্লান্তিবোধ কৰিছিলো। কিন্তু পিছত

মিঃ কাৰ্ভিয়ে গৈ এই দুৰ্ঘটনাৰ খবৰ দিয়াত ভীষণ মৰ্মাহত হ'লো। নিজকে বৰ দোষী দোষী লাগিল।—দেৱজিতে আক্ষেপেৰে ক'লে।

ঃ এই হত্যাকাণ্ড আমাৰ দ্বাৰা হোৱা নাই।—বিজয়ে চিঞৰি উঠিল, ঃ সেইসময়ত মই আৰু বিজিত চাদৰ ওপৰত আছিলো এই কথা সম্পূৰ্ণ সচাঁ। অজিতেও হত্যা কৰা নাই। কাৰণ সেই সময়ত সি গেটৰ ওচৰত আছিল। আমি চাদৰ পৰাই তাক গেটৰ ওচৰত দেখিছিলো।

ঃ আৰু এখেত?—দেৱজিতে সঞ্জয়লৈ আঙুলিয়াই সুধিলে।

সঞ্জয়ে লগে লগে কান্দোনত ভাগি পৰিল আৰু ক'লে, ঃ মেয়ে দাদাক হত্যা কৰিছো। ময়ে পিস্টলটো চুৰ কৰিছিলো।—সঞ্জয়ে দুহাতেৰে চকুদুটা ঢাকি সৰু ল'ৰাৰ দৰে কান্দিবলৈ ধৰিলে।

বাকী কেইজন ভায়েকে অবাক বিস্ময়েৰে সঞ্জয়লৈ চালে।

দেৱজিতে বসুমতাৰীৰ ফালে চাই কিবা এটা ইংগিত দি ধীৰে ধীৰে বাহিৰলৈ ওলাই আহিল।

———

সমাপ্ত

Digitized by:

Nibir Borpuzari

for

http://blogasom.blogspot.com

For more free eBooks like this keep on visiting BLOG অসম. Contribute your ebooks or other contents by mailing at-

nibirborpuzari@gmail.com